**প্ৰ:** মানৱ ভূগোলৰ সংজ্ঞা দিয়া ।

**উত্তৰ:** মানুহৰ উন্নতি অথবা সমৃদ্ধিৰ লক্ষ্য আগত ৰাখি মানৱীয় চিন্তাধাৰা, কাম-কাজ প্ৰভৃতিৰ লগত জড়িত সমস্যা আৰু সম্ভাৱনা সম্পৰ্কীয় ক্ষেত্ৰীয় অধ্যয়নৰ পৰিক্ৰমাটোক মানৱ ভূগোল বোলে ।

ইয়াৰোপৰি, বিভিন্নজন বিজ্ঞানীয়ে মানৱ ভূগোলৰ সংজ্ঞা বিভিন্ন ধৰণে আগবঢ়াইছে। উদাহৰণস্বৰূপে,
ৰাটজেলৰ মতে, "ভূ-পৃষ্ঠ আৰু মানৱ সমাজৰ মাজত থকা সম্পৰ্কৰ সংশ্লেষিক অধ্যয়নেই হ'ল মানৱ ভূগোল ।

**প্ৰ:** মানৱ ভূগোলৰ কিছুমান উপক্ষেত্ৰৰ নাম লিখা ।

**উত্তৰ:** মানৱ ভূগোলৰ উপক্ষেত্ৰসমূহ হ'ল –

(১) আচৰণবাদী ভূগোল
(২) অৱকাশ ভূগোল
(৩) সাংস্কৃতিক ভূগোল
(৪) সম্পদ ভূগোল
(৫) পৰ্যটন ভূগোল
(৬) উদ্যোগ ভূগোল
(৭) চিকিৎসা ভূগোল
(৮) কৃষি ভূগোল

**প্ৰ:** মানৱ ভূগোল কেনেদৰে আন সমাজ বিজ্ঞানৰ লগত জড়িত ?

**উত্তৰ:** মানৱ ভূগোলে স্বাভাৱিকতে মানুহ আৰু পৰিবেশৰ আন্তঃসম্পৰ্কৰ বিষয়ে অধ্যয়ন কৰে। সমাজ বিজ্ঞানৰ ভাগ সমূহত ভূগোলৰ দৰে পৰিবেশৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰা হয়। মানৱ ভূগোলৰ পৰিসৰ যিহেতু ব্যাপক, সেয়েহে সমাজ বিজ্ঞানৰ অন্য বিষয়সমূহৰ লগত মানৱ ভূগোল ওতঃপ্ৰোতভাৱে জড়িত। উদাহৰণস্বৰূপে ৰাজনীতি বিজ্ঞানৰ মূল বিষয়বস্তু যেনে দেশ, ৰাজ্য, নিৰ্বাচন, চাৰিসীমা ইত্যাদি মানৱ ভূগোলৰ উপশাখা ৰাজনীতি ভূগোলৰ অন্তৰ্গত। একেদৰে অৰ্থনীতি বিজ্ঞানৰ বিষয়বস্তু সম্পদ, উদ্যোগ, আদি অৰ্থনৈতিক ভূগোলৰ বিষয়বস্তুৰ লগত জড়িত।

প্ৰঃ মানৱ ভূগোলৰ পৰিসৰৰ ওপৰত এটা টোকা লিখা ।

উত্তৰ: মানৱ ভূগোলত মানৱৰ লগত জড়িত সকলোবোৰৰ আৰ্থিক, বৌদ্ধিক, সামাজিক, ৰাজনৈতিক, জৈৱিক আদি কাম-কাজসমূহৰ পাৰস্পৰিক সম্বন্ধৰ বিষয়ে আলোচনা কৰা হয় । মানৱৰ পাৰস্পৰিক সম্বন্ধ বুলিলে ভূগোলৰ প্ৰায় সকলো শাখাৰ বিষয়েই অধ্যয়ন কৰিব লগা হয় । সেয়ে মানৱ ভূগোলৰ পৰিসৰ বুলিলে জনবসতি ভূগোল, পৌৰ ভূগোল, অৰ্থনৈতিক ভূগোল, সামাজিক ভূগোল, ৰাজনৈতিক ভূগোল আদিৰ লগতে ইহঁতৰ লগত সম্পৰ্কিত আটাইবোৰ শাখা-প্ৰশাখা আৰু সম্পৰ্কিত বিষয়ৰ অধ্যয়ন অপৰিহাৰ্য্য । এই আটাইবোৰেই মানৱ ভূগোলৰ পৰিসৰৰ অন্তৰ্গত হোৱাত ইয়াৰ পৰিসৰ অতি বিস্তৃত ।

প্ৰঃ বিভিন্ন বিজ্ঞানীসকলে আগবঢ়োৱা, মানৱ ভূগোলৰ সংজ্ঞা লিখা ।

উত্তৰ:

(১) ৰেটজেল, "ভূ-পৃষ্ঠ আৰু মানৱ সমাজৰ মাজত থকা সম্পৰ্কৰ সংশ্লেষিক অধ্যয়নেই হ'ল মানৱ ভূগোল ।

(২) এলেন. চি. চেম্পল, "বিশ্ৰামহীন মানুহ আৰু অস্থিৰ পৃথিৱীৰ, চালচলনি হৈ থকা সম্পৰ্কৰ অধ্যয়নকে মানৱ ভূগোল বোলে ।

(৩) পল ভিডেল ডি লা ব্লাচি, "আমাৰ পৃথিৱীৰ প্ৰভুৰ বিস্তাৰ কৰি থকা প্ৰাকৃতিক নিয়মৰ বহু সংশ্লেষিক জানৰ পৰা উৎপত্তি লাভ কৰা ধাৰণাসমূহ আৰু ইয়াত বসবাস কৰি থকা জীৱৰ মাজৰ সম্পৰ্ক ।"